# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 12-12-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে ২০৩৫ চনৰ ভিতৰত ভাৰতৰ নিজা মহাকাশ ষ্টেচন হ'ব বুলি আশা প্ৰকাশ কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মধ্য এছিয়াক ভিত্তি হিচাপে লৈ ৰাজ কাপুৰৰ বিষয়ে এখন চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ কাপুৰ পৰিয়ালৰ প্ৰতি আহ্বান জনাইছে।

৩। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰে আজি নতুন দিল্লীত ইউ এ ইৰ উপ প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী শ্বেইখ আব্দুলা বিন জায়েদ অল নাহয়ানৰ সৈতে কৌশলগত আলোচনাত মিলিত হ'ব।

৪। আফগানিস্তানৰ কাবুলত কালি সংঘটিত আত্মঘাতী বোমা আক্ৰমণত দেশখনৰ শৰণাৰ্থী বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী খলিল ৰহমান হাক্কানী নিহত হয়।

*আৰু*

৫। আন্তঃৰাষ্ট্ৰীয় ফুটবল ফেডাৰচন ফিফাই স্পেইন, পৰ্টুগাল আৰু মৰক্কোই যৌথভাৱে ২০৩০ বৰ্ষৰ বিশ্বকাপ আয়োজন কৰিব বুলি ঘোষণা কৰিছে।

০০০০০

বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে ২০৩৫ চনৰ ভিতৰত ভাৰতৰ নিজা মহাকাশ ষ্টেচন হ'ব আৰু ২০৪০ চনৰ ভিতৰত এগৰাকী ভাৰতীয়ই চন্দ্ৰপৃষ্ঠত অৱতৰণ কৰিব বুলি আশা প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি বিজ্ঞান মন্ত্ৰালয়ৰ সাফল্য সন্দৰ্ভত এখন সংবাদমেল সম্বোধন কৰি ড° সিঙে কয়, যে চৰকাৰে সূচনা কৰা মহাকাশ সংস্কাৰে মহাকাশ ক্ষেত্ৰৰ অপাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিছে। তেওঁ কয়, যে বৰ্তমানলৈকে ভাৰতৰ পৰা ৪৩২টা বিদেশী কৃত্ৰিম উপগ্ৰহ উৎক্ষেপন কৰা হৈছে আৰু ইয়াৰ প্ৰায় ৯০ শতাংশই বিগত ১০ বছৰত সম্পন্ন কৰা হৈছে। বিজ্ঞানৰ প্ৰতি চৰকাৰৰ বহুমুখী দৃষ্টিভংগীৰ কথা উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে দেশে বিভিন্ন ক্ষেত্ৰত বিজ্ঞানৰ প্ৰয়োগেৰে জৈৱ প্ৰযুক্তি, জৈৱ অৰ্থ ব্যৱস্থা, ভূ-স্থানিক কাৰ্যসূচী, প্ৰতিৰক্ষা আৰু কৃষিখণ্ডত ব্যাপক প্ৰগতি লাভ কৰিবলৈ সমৰ্থ হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ১৪ ডিচেম্বৰত উদযাপন কৰিবলগীয়া কিংবদন্তি চলচ্চিত্ৰ নিৰ্মাতা তথা অভিনেতা ৰাজ কাপুৰৰ জন্ম শতবাৰ্ষিকীৰ পূৰ্বে কালি নতুন দিল্লীত তেওঁৰ পৰিয়ালক সাক্ষাৎ কৰে। সাক্ষাৎকালত শ্ৰীমোদীয়ে প্ৰসিদ্ধ অভিনেতাগৰাকীৰ জীৱন আৰু কৰ্মৰাজিৰ স্মৰণ কৰে। প্ৰয়াত

কাপুৰৰ পৰিয়ালে অভিনেতাগৰাকীৰ স্মৃতিত কাইলৈৰ পৰা ১৫ ডিচেম্বৰলৈ দেশৰ ৪০ খন চহৰত আয়োজিত ৰাজ কাপুৰ চলচ্চিত্ৰ মহোৎসৱলৈ প্ৰধানমন্ত্ৰীগৰাকীক আমন্ত্ৰণ জনায়। শ্ৰীমোদীয়ে সাক্ষাৎকালত চলচ্চিত্ৰ নিৰ্মাতাগৰাকীয়ে ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা অৱদানৰ প্ৰশংসা কৰে। প্ৰধানমন্ত্ৰীয়ে কাপুৰ পৰিয়ালক বিশেষকৈ মধ্য এছিয়াক ভিত্তি হিচাপে লৈ এতিয়াও দৰ্শকক মন্ত্ৰমুগ্ধ কৰি ৰখা ৰাজ কাপুৰৰ বিষয়ে এখন চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ আহ্বান জনায়। শ্ৰীমোদীয়ে লগতে কয়, যে ৰাজ কাপুৰে তেওঁলোকৰ জীৱনতো প্ৰভাৱ পেলাইছিল। মধ্য এছিয়াত ভাৰতীয় চলচ্চিত্ৰৰ বিশাল সম্ভাৱনা আছে বুলি তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে ভাৰতীয় চলচ্চিত্ৰক মধ্য এছিয়াৰ নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ বাবে প্ৰচেষ্টা চলাব লাগিব।ভাৰতীয় চলচ্চিত্ৰক মধ্য এছিয়াৰ সৈতে সংযোগ কৰাৰ ক্ষেত্ৰত যোগসূত্ৰ হিচাপে কাম কৰিব পৰা এখন চলচ্চিত্ৰ নিৰ্মাণ কৰিবলৈ তেওঁ কাপুৰ পৰিয়ালক আহ্বান জনায়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে অহা বৰ্ষৰ ৩১ মাৰ্চলৈকে প্ৰযোজ্য ঘেঁহুৰ মজুতৰ সীমা সংশোধন কৰাৰ সিদ্ধান্ত লৈছে। সামগ্ৰিক খাদ্য সুৰক্ষা পৰিচালনাৰ বাবে  আৰু অসাধু ব্যৱসায়ীক ৰোধ কৰিবলৈ কেন্দ্ৰই ব্যৱসায়ী, পাইকাৰী বিক্ৰেতা, খুচুৰা বিক্ৰেতা, দেশৰ বিভিন্ন প্ৰান্তত বিপণী থকা বৃহত্ খুচুৰা বিক্ৰেতা, আৰু সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ খাদ্য প্ৰসংস্কৰণৰ সৈতে জড়িতসকলৰ মাজত ঘেঁহুৰ মজুতৰ সীমা নিৰ্ধাৰণ কৰিছে। ব্যৱসায়ী আৰু পাইকাৰী বিক্ৰেতাৰ বাবে ঘেঁহুৰ মজুতৰ সীমা ২০০০ মেট্ৰিক টনৰ পৰা ১০০০ মেট্ৰিক টনলৈ হ্ৰাস কৰাৰ বিপৰীতে খুচুৰা বিক্ৰেতাসকলৰ বাবে প্ৰতি বিপনীৰ বাবদ এই সীমা ১০ মেট্ৰিক টনৰ পৰা ৫ মেট্ৰিক টনলৈ হ্ৰাস কৰা হৈছে।গ্ৰাহক পৰিক্ৰমা, খাদ্য, আৰু ৰাজহুৱা বিতৰণ মন্ত্ৰালয়ে এক বিবৃতিত কৈছে যে দেশত ঘেঁহুৰ যথেষ্ট  উপলব্ধতা আছে। চৰকাৰে ঘেঁহুৰ দাম নিৰন্তৰভাৱে নিৰীক্ষণ কৰে আৰু গ্ৰাহকৰ বাবে মূল্যৰ স্থিৰতা নিশ্চিত কৰিবলৈ হস্তক্ষেপ কৰে। ঘেঁহু মজুত কৰা সকলো অংশীদাৰে ঘেঁহুৰ মজুত সীমা পৰ্টেলত পঞ্জীয়ন কৰিব লাগিব আৰু প্ৰতি শুকুৰবাৰে নিজৰ মজুতৰ অৱস্থা আপডেট কৰিব লাগিব।

০০০০০

লোকসভাৰ সাংসদ জগদম্বিকা পালৰ অধ্যক্ষতাত কালি ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ বিষয়ক যুটীয়া সংসদীয় কমিটীৰ এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত কমিটীখনে ৱাক্‌ফ সংশোধনী বিধেয়ক ২০২৪ৰ বিষয়ে দাৰুল উলুম দেওবন্দৰ মতামত আৰু দিহা পৰামৰ্শ গ্ৰহণ কৰে। এই যুটীয়া সংসদীয় কমিটীখনত লোকসভাৰ ২১ গৰাকী আৰু ৰাজ্যসভাৰ ১০ গৰাকী সদস্য আছে। ইয়াৰ ভিতৰত বিৰোধী পক্ষৰ ১৩ গৰাকী সদস্যও আছে।

০০০০০

ৰাজহুৱা খণ্ডৰ বেংকসমূহকে ধৰি ভাৰতৰ বেংকিং খণ্ডই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাৰ্যকালত নতুন উল্লেখনীয় মাত্ৰা লাভ কৰিছে বুলি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে প্ৰকাশ কৰিছে। নাগৰিক কেন্দ্ৰিক প্ৰশাসন মোদী চৰকাৰৰ প্ৰধান

নীতি বুলি বিত্তমন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰিছে। ৰাজহুৱা খণ্ডৰ বেংকসমূহ প্ৰৱঞ্চকৰ বাবে সীমাহীন উৎস হিচাপে ব্যৱহাৰ হৈ আছে বুলি কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে কৰা অভিযোগক মন্ত্ৰীগৰাকীয়ে সমালোচনা কৰে।

00000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডং এছ জয়শংকৰে আজি নতুন দিল্লীত সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰ- ইউ এ ইৰ উপ প্ৰধানমন্ত্ৰী তথা বিদেশ মন্ত্ৰী শ্বেইখ আব্দুলা বিন জায়েদ অল নাহয়ানৰ সৈতে কৌশলগত আলোচনাত মিলিত হ'ব। অভ্যাগত বিদেশ মন্ত্ৰীগৰাকীয়ে বিয়লিৰ ভাগত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰিব। শ্ৰীনাহয়ান ভাৰত-ইউ এ ই যুটীয়া আয়োগৰ পঞ্চদশ বৈঠক আৰু চতুৰ্থ কৌশলগত আলোচনাত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে কালি নতুন দিল্লীত উপস্থিত হয়।

ইউ এ ইৰ নেতাগৰাকীক আদৰণি জনাই বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে সামাজিক মাধ্যম এক্স যোগে কয়, যে এই ভ্ৰমণে ভাৰত আৰু ইউ এ ইৰ মাজত বহুমুখী সৰ্বাত্মক কৌশলগত সহযোগিতা অধিক সুদৃঢ় কৰিব।

আমাৰ সংবাদদাতাই জনাইছে যে, ভাৰত আৰু ইউ এ ইৰ মাজত প্ৰাচীন কালৰে পৰা বাণিজ্যিক সম্পৰ্ক আছে। ২০২২-২৩ বিত্তীয় বৰ্ষত ইউ এ ই ভাৰতত চতুৰ্থ সৰ্ববৃহৎ প্ৰত্যক্ষ বিদেশী বিনিয়োগ কৰা দেশ আছিল। দেশখনে ভাৰতৰ আন্তঃগাঁথনি খণ্ডত ৭ হাজাৰ ৫০০ কোটি ডলাৰ বিনিয়োগ কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। পূব এছিয়াৰ ৰাষ্ট্ৰখনত ৩৫ লাখৰো অধিক ভাৰতীয় নাগৰিকে বাস কৰে আৰু ইউ এ ইৰ লোকসকল ভাৰতীয় সংস্কৃতিৰ সৈতে ভালদৰে পৰিচিত আৰু ইয়াৰ প্ৰতি সংবেদনশীল।

00000

আফগানিস্তানৰ কাবুলত শৰণাৰ্থী বিভাগৰ ভাৰপ্ৰাপ্ত মন্ত্ৰী খলিল ৰহমান হাক্কানী তেওঁৰ কাৰ্যালয়ৰ ভিতৰত কালি আত্মঘাতী বোমাৰুৰ আক্ৰমণত নিহত হয়। মন্ত্ৰীগৰাকীয়ে কাৰ্যালয়ত ব্যস্ত হৈ থাকোতেই ভ্ৰমণকাৰীৰ ৰূপত আত্মঘাতী বোমাৰুজনে বোমাটো সক্ৰিয় কৰাৰ লগে লগে তেওঁৰ মৃত্যু হয়। এই বিস্ফোৰণত আন ৬ জন লোকো নিহত হয়। কোনো লোক বা সংগঠনে এই আক্ৰমণৰ দায়িত্ব এতিয়ালৈকে স্বীকাৰ কৰা নাই। অভ্যন্তৰীন মন্ত্ৰালয়ে হাক্কানীৰ মৃত্যুক তালিবানসকলে আইছিছ উগ্ৰপন্থীক বুজাবলৈ ব্যৱহাৰ কৰা ঘাৱাৰিজসকলৰ দ্বাৰা সংঘটিত হিংসাত্মক আক্ৰমণ বুলি অভিহিত কৰিছে।

00000

ইনষ্টাগ্ৰাম ফেচবুক আৰু হোৱাটছএপকে ধৰি মেটাৰ সামাজিক মাধ্যমৰ এপসমূহ যোৱা নিশা কিছু সময়ৰ বাবে ব্যৱহাৰ কৰাত বিশ্বব্যাপী অসুবিধাৰ সৃষ্টি হয় বুলি কোম্পানীটোৱে নিশ্চিত কৰে। কোম্পানীটোৱে এতিয়ালৈকে ইয়াৰ সৱিশেষ প্ৰকাশ কৰা নাই।

00000

আন্তঃৰাষ্ট্ৰীয় ফুটবল ফেডাৰচন ফিফাই স্পেইন, পৰ্টুগাল আৰু মৰক্কোই যৌথভাৱে ২০৩০ বৰ্ষৰ বিশ্বকাপ আয়োজন কৰিব বুলি ঘোষণা কৰিছে। বিশ্বকাপত ১০০ সংখ্যক বাৰ্ষিকী উদযাপনৰ উদ্দেশ্যে ২০৩০ চনত আৰ্জেণ্টিনা, পাৰাগুৱে আৰু উৰুগুৱেৰ একোখনকৈ খেল খেলোৱা হ'ব। সংস্থাটোৱে লগতে ২০৩৪ বৰ্ষত ছৌদি আৰৱে পুৰুষৰ বিশ্বকাপ ফুটবল প্ৰতিযোগিতা আয়োজন কৰিব বুলি প্ৰকাশ কৰিছে। ছৌদি আৰৱে প্ৰথমবাৰৰ বাবে

বিশ্বকাপৰ আয়োজনৰ দায়িত্ব লাভ কৰিছে আৰু ২০৩৪ চনত দ্বিতীয়বাৰৰ বাবে মধ্যপ্ৰাচ্যত এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০

ভাৰত আজি মাস্কাটত চলি থকা মহিলাৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ লীগ পৰ্যায়ৰ চতুৰ্থ তথা অন্তিমখন খেলত থাইলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ভাৰত কালি লীগ পৰ্য্যায়ৰ নিজৰ তৃতীয়খন খেলত চীনৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত হয়। এই জয়ৰ সুবাদত চীনে ৯ পইণ্টেৰে পুল এ-ৰ শীৰ্ষস্থান দখল কৰি ছেমিফাইনেলত উপনীত হৈছে। ভাৰতে এতিয়ালৈ ৬ পইণ্ট লাভ কৰি মালয়েছিয়াৰ সৈতে যুটীয়াভাৱে দ্বিতীয় স্থানত আছে।

প্ৰতিযোগিতাৰ ছেমিফাইনেল খেল দুখন শনিবাৰে আৰু ফাইনেল খেলখন দেওবাৰে খেলোৱা হ'ব।

ভাৰতে জাপানত অনুষ্ঠিত প্ৰতিযোগিতাখনৰ শেহতীয়া সংস্কৰণৰ ফাইনেলত দক্ষিণ কোৰিয়াক ২-১ গ'লত পৰাস্ত কৰি খিতাপ দখল কৰিছিল।

০০০০০

ভাৰতৰ গ্ৰেণ্ড মাষ্টাৰ ডম্মাৰাজু গুকেশ আজি ছিংগাপুৰত অনুষ্ঠিত বিশ্ব দবা প্ৰতিযোগিতাৰ এখন খেলত যোৱাবাৰৰ বিজয়ী চীনৰ ডিং লিৰেণৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ২ বাজি ৩০ মিনিটত আৰম্ভ হ'ব। ১৪ খন খেলৰ প্ৰতিযোগিতাখনৰ এই অন্তিমখন খেলত জয়ী হোৱা খেলুৱৈগৰাকীয়ে বিশ্ব চেম্পিয়নৰ খিতাপ লাভ কৰিব। খেলখন ড্ৰ হ'লে কাইলৈ টাই ব্ৰেকাৰ অনুষ্ঠিত হ'ব।

গুকেশ আৰু লিৰেণৰ মাজত কালি ৫ ঘণ্টাজুৰি অনুষ্ঠিত খেলখন ড্ৰ হোৱাৰ পাছত সম্প্ৰতি দুয়োগৰাকীয়ে খেলুৱৈয়ে ৬ দশমিক ৫ পইণ্টকৈ লাভ কৰিছে।

০০০০০

**সমাপ্ত**